মিছওৱাক কৰাটো হৈছে মুখৰ পৱিত্ৰতা আৰু প্ৰতিপালকৰ সন্তষ্টি লাভৰ উপায়।

আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাৰ পৰা বৰ্ণিত তেওঁ কৈছে, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ মিছওৱাক কৰাটো হৈছে মুখৰ পৱিত্ৰতা আৰু প্ৰতিপালকৰ
সন্তষ্টি লাভৰ উপায়।
[ছহীহ] [(নাছায়ী, আহমদ)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, আৰাক গছৰ শিপাৰে দাঁত চাফ কৰিলে ময়লা আদিৰ পৰা মুখ পৰিস্কাৰ হয় আৰু দুৰ্গন্ধ দূৰ হয়। আৰু মিছৱাক কৰাটো হৈছে আল্লাহক সন্তুষ্টি কৰাৰ অন্যতম এটা উপায়। কাৰণ ইয়াৰ মাজত আছে আল্লাহৰ আনুগত্য আৰু তেওঁৰ আদেশ পালন। কিয়নো ইয়াৰ দ্বাৰা পৱিত্ৰতা অৰ্জন হয়, যি পৱিত্ৰতাক আল্লাহে ভাল পায়।

http://sunnah.global/hadeeth/as/show/3588